**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাত অনুষ্ঠানত উদ্যোগ আৰু ষ্টাৰ্টআপৰ সৈতে জড়িত যুৱক-যুৱতীসকলক গুণগত মান বৃদ্ধিত গুৰুত্ব দিবলৈ আহ্বান জনাইছে।

২। আজিৰ মন কী বাতত প্ৰধানমন্ত্ৰীয়ে অসমৰ নগাঁৱৰ কেইগৰাকীমান ব্যক্তিয়ে ৺পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে।

৩। আজি ৰাষ্ট্ৰীয় ভোটদাতা দিৱস। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে এই উপলক্ষে নিৰ্বাচন আয়োগে আয়োজন কৰা অনুষ্ঠানত সভাপতিত্ব কৰে।

*আৰু*

৪। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত হ’ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্যোগ আৰু ষ্টাৰ্টআপৰ সৈতে জড়িত যুৱক-যুৱতীসকলক গুণগত মান বৃদ্ধিত গুৰুত্ব দিবলৈ আহ্বান জনাইছে। আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰি প্ৰধানমন্ত্ৰীয়ে এই আহ্বান জনায়। এয়া আছিল অনুষ্ঠানটোৰ ১৩০ সংখ্যক খণ্ড। দেশৰ অৰ্থনীতি দ্ৰুত গতিত আগবাঢ়িছে আৰু সমগ্ৰ বিশ্বৰ দৃষ্টি ভাৰতৰ ওপৰত নিবদ্ধ হৈ আছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশত যি উৎপাদন হয়, তাৰ গুণগত মান উন্নত কৰাৰ বাবে আমি সকলোৱে সংকল্প লোৱা উচিত। বস্ত্ৰ শিল্প, প্ৰযুক্তি, ইলেক্‌ট্ৰনিক্‌ছ বা আন পেকেজিংসমূহ উচ্চমানৰ হ’ব লাগে বুলি উল্লেখ কৰি উৎকৃষ্টতাই উন্নতিৰ মাপকাঠী বুলিও শ্ৰী মোদীয়ে প্ৰকাশ কৰে। এইদৰে আগবাঢ়ি গ’লেহে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ’ব পৰা যাব বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

দহ বছৰৰ আগতে অৰ্থাৎ ২০১৬ চনৰ জানুৱাৰীত ভাৰতত ‘ষ্টাৰ্ট আপ ইণ্ডিয়া’ নামৰ অভিলাষী যাত্ৰা আৰম্ভ হৈছিল আৰু ভাৰত বিশ্বৰ তৃতীয় বৃহৎ ষ্টাৰ্টআপত পৰিণত হৈছে। তেওঁ লগতে কয়, যে এই ষ্টাৰ্টআপসমূহ বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তা, মহাকাশ, পাৰমাণৱিক শক্তি, অৰ্ধপৰিবাহী, সেউজ হাইড্ৰ’জেন, জৈৱ প্ৰযুক্তি আদিত কাম কৰাটো ১০ বছৰ আগতে কল্পনাৰো উৰ্ধত আছিল।

ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উপলক্ষে শ্ৰী মোদীয়ে কয়, যে ভোটদাতাসকল হৈছে গণতন্ত্ৰৰ আত্মা। প্ৰধানমন্ত্ৰীয়ে কয়, যে যেতিয়া এজন যুৱকে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলৈ আগবাঢ়ে তেতিয়া তেওঁৰ চুবুৰীটোৰ সকলোৱে ভোটদাতাজনক অভিনন্দন জনাই মিঠাই খুৱাব লাগে। এইদৰে ভোটদানৰ প্ৰতি সজাগতা বৃদ্ধি পাব

আৰু ভোটদান কৰাটো কিমান গুৰুত্বপূৰ্ণ সেই অনুভৱ শক্তিশালী হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। নিৰ্বাচনী প্ৰক্ৰিয়াৰ লগত জড়িত আৰু গণতন্ত্ৰক সক্ৰিয় কৰি ৰখা তৃণমূল পৰ্যায়ত কাম কৰা দেশৰ সকলো লোকক প্ৰধানমন্ত্ৰীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে। যুৱক-যুৱতীসকলক ১৮ বছৰ সম্পূৰ্ণ কৰাৰ পাছত নিজকে ভোটাৰ হিচাপে পঞ্জীয়ন কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়। কাইলৈ সমগ্ৰ ৰাষ্ট্ৰত গণৰাজ্য দিৱস উদযাপনৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এই দিনটোতেই আমাৰ সংবিধান কাৰ্যকৰী হৈছিল। এই দিৱসে আমাক সংবিধান প্ৰণেতাসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ সুযোগ প্ৰদান কৰে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰী মোদীয়ে কয়, যে ভজন আৰু কীৰ্তন যুগ যুগ ধৰি ভাৰতীয় সংস্কৃতিৰ আত্মা হিচাপে অভিহিত হৈ আহিছে। বৰ্তমান প্ৰজন্মৰ যুৱক-যুৱতীসকলে নিজৰ অভিজ্ঞতা আৰু জীৱনশৈলীত ভক্তিৰ মনোভাৱ সন্নিবিষ্ট কৰাটো শুভ লক্ষণ বুলিও তেওঁ প্ৰকাশ কৰে। এইধৰণৰ চিন্তা-ধাৰাই নতুন সাংস্কৃতিক ধাৰা এটাৰ জন্ম দিছে আৰু এই ধাৰাটোক ভজন ক্লাবিং বুলি প্ৰধানমন্ত্ৰীয়ে আখ্যা দিয়ে। মালয়েছিয়াত ভাৰতীয়সকলে নিজৰ সংস্কৃতিৰ প্ৰচাৰৰ ক্ষেত্ৰত প্ৰশংসনীয় কাম কৰি আছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে মালয়েছিয়াত বৰ্তমান পাঁচশৰো অধিক তামিল বিদ্যালয় আছে। এই বিদ্যালয়সমূহত তামিল ভাষা শিকোৱাৰ উপৰি তামিল ভাষাত অন্যান্য বিষয়ো শিকোৱা হয়। তেলেগু আৰু পঞ্জাবীৰ লগতে অন্যান্য ভাৰতীয় ভাষাৰ ওপৰতো তাত গুৰুত্ব দিয়া হয়। ওডিচি নৃত্য আৰু বাউল সংগীতেও তাত জনপ্ৰিয়তা অৰ্জন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

মন কী বাতত প্ৰধানমন্ত্ৰীয়ে স্বচ্ছ ভাৰত অভিযানৰ কথা উল্লেখ কৰি অসমৰ নগাঁৱৰ কেইগৰাকীমান ব্যক্তিয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি গ্ৰহণ কৰা পদক্ষেপক বিশেষভাৱে উল্লেখ কৰে। এই লোকসকলে নগাঁও চহৰৰ অলিয়ে-গলিয়ে গোট খাই থকা বহু আৱৰ্জনা পৰিষ্কাৰ কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে। পৰিষ্কাৰ-পৰিচ্ছন্নতা সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আন এখন ৰাজ্য অৰুণাচল প্ৰদেশৰ কথাও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ইটানগৰৰ যুৱ সংগঠনে ৰাজহুৱা স্থানত এই অভিযান আৰম্ভ কৰি নাহৰ লগুণ, দৈমুখ, চেপা, পালিন, পাচিঘাটকে ধৰি অনেক এইবোৰ ঠাইত প্ৰায় ১১ লাখ কিলোমিটাৰতকৈ অধিক দূৰত্বৰ আৱৰ্জনা পৰিষ্কাৰ কৰে।

বাইট

প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে প্ৰচাৰ কৰা হৈছে।

প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হয়। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰে।

০০০০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যাত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি ভাষণ দিব। সন্ধিয়া ৭ বজাৰ পৰা এই ভাষণ আকাশবাণীৰ সকলো নেটৱৰ্ক আৰু দূৰদৰ্শনৰ সকলো চেনেল যোগে সম্প্ৰচাৰ কৰা হ'ব। দূৰদৰ্শনত হিন্দী আৰু ইংৰাজীত এই ভাষণ প্ৰচাৰৰ পাছতে আঞ্চলিক ভাষাতো এই ভাষণ প্ৰচাৰ কৰা হ'ব। ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ আকাশবাণী গুৱাহাটীয়ে নিশা চাৰে ন বজাত প্ৰচাৰ কৰিব।

ৰাষ্ট্ৰপতিৰ ভাষণৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়াৰ এন এছ্ ডি বুলেটিন ৭ বাজি ১০ মিনিটৰ পৰিৱৰ্তে সন্ধিয়া ৭বাজি ৪৫ মিনিটত প্ৰচাৰ কৰা হ'ব।

০০০০০০০০০

আজি ৰাষ্ট্ৰীয় ভোটদাতা দিৱস। গণতন্ত্ৰক উদযাপন আৰু দেশৰ নিৰ্বাচন প্ৰক্ৰিয়াত প্ৰতিজন নাগৰিকৰ অংশগ্ৰহণক মান্যতা দি প্ৰতি বছৰে ২৫ জানুৱাৰীৰ দিনটো ৰাষ্ট্ৰীয় ভোটদাতা দিৱস হিচাপে উদযাপন কৰা হয়। উল্লেখযোগ্য যে, ১৯৫০ চনৰ এই দিনটোতে ভাৰতীয় সংবিধানৰ ৩২৪ নম্বৰ অনুচ্ছেদৰ অধীনত ভাৰতীয় নিৰ্বাচন আয়োগ গঠন হৈছিল। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- **মোৰ ভাৰত, মোৰ ভোট**।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে আজি ৰাষ্ট্ৰীয় ভোটদাতা দিৱস উপলক্ষে নিৰ্বাচন আয়োগে নতুন দিল্লীত আয়োজন কৰা অনুষ্ঠানত সভাপতিত্ব কৰে। অনুষ্ঠানত আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুনৰাম মেঘৱাল, মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্তদ্বয় সুখবীৰ সিং সান্ধু আৰু ড০ বিবেক যোশীয়ো উপস্থিত থাকে। অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে ভোটাৰ তালিকাত নতুনকৈ নাম অন্তৰ্ভুক্ত হোৱা যুৱ প্ৰজন্মক ভোটাৰ ফটো পৰিচয় পত্ৰ প্ৰদান কৰে। শ্ৰীমতী মুৰ্মুৱে বিভিন্ন শাখাৰ শ্ৰেষ্ঠ নিৰ্বাচন বিষয়ক কামকাজৰ বঁটাসমূহো প্ৰদান কৰে।

আকাশবাণীৰ বাতৰি সেৱা বিভাগে ২০২৫ বৰ্ষৰ ভোটাৰ শিক্ষা সজাগতাৰ ওপৰত শ্ৰেষ্ঠ অভিযানৰ বাবে ইলেক্ট্ৰনিক ৰেডিঅ' বঁটা লাভ কৰে। আকাশবাণীৰ সঞ্চালক প্ৰধান ৰাজীৱ জৈনে ৰাষ্ট্ৰপতিৰ পৰা এই বঁটা গ্ৰহণ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেৱভূমি হিমাচল প্ৰদেশৰ আজি প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত শ্ৰীশ্বাহে ৰাজ্যখনৰ প্ৰাকৃতিক সৌন্দৰ্য, আধ্যাত্মিক চেতনা আৰু সাংস্কৃতিক গৌৰৱৰ বিষয়ে আলোকপাত কৰে। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনে ধাৰাবাহিকভাৱে উন্নয়ন আৰু সমৃদ্ধিৰ পথত আগবাঢ়ি থাকিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

দেশে আজি ৰাষ্ট্ৰীয় পৰ্যটন দিৱস পালন কৰিছে। পৰ্যটন দিৱস উপলক্ষে নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই কয়, যে এই দিৱসে আমাৰ সংস্কৃতিৰ চহকী ঐতিহ্যৰ আৰু পৰম্পৰাৰ বৈচিত্ৰ্যক উদযাপন কৰে। সামাজিক মাধ্যম যোগে দিয়া পোষ্টত মুখ্যমন্ত্ৰী ৰিঅ'ই বহনক্ষম, সংস্কৃতিক সন্মান জনোৱা পৰিবেশৰ প্ৰতি দায়বদ্ধ আৰু স্থানীয় জনসাধাৰণৰ বাবে উপযোগী পৰ্যটনক প্ৰসাৰিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০০০০

বাংলাদেশৰ নাৰ্চিংডি চহৰত শুকুৰবাৰে এটা গেৰেজত দুষ্কৃতিকাৰীয়ে অগ্নিসংযোগ কৰাৰ ফলত গেৰেজটোত শুই থকা চঞ্চল চন্দ্ৰ ভৌমিক নামৰ এজন ২৩ বছৰীয়া মেকানিকৰ মৃত্যু হয়। এই ঘটনাৰ ফলত মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰৰ্তীকালীন চৰকাৰৰ অধীনত বাংলাদেশৰ আইন শৃংখলা পৰিস্থিতি পুনৰ সমালোচনাৰ সন্মুখীন হৈছে।

আৰক্ষী আৰু প্ৰত্যক্ষদৰ্শীয়ে জনোৱা অনুসৰি আৰক্ষী লাইনৰ সমীপৰ খানা বাৰী মছজিদ বজাৰস্থিত গেৰেজটোৰ শ্বাটাৰৰ বাহিৰত ইচ্ছাকৃতভাৱে অগ্নিসংযোগ কৰা হৈছিল। গেৰেজৰ ভিতৰত পেট্ৰল আৰু ইঞ্জিনৰ তেল জমা হৈ থকাৰ ফলত জুই দ্ৰুতগতিত বিয়পি পৰে আৰু চঞ্চল ভিতৰতে আৱদ্ধ হৈ পৰে।

কুমিল্লা জিলাৰ বাৰুৰা উপ জিলাৰ বাসিন্দা চঞ্চল পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী আছিল।

ooooooooo

ৰাষ্ট্ৰীয় স্বাস্থ্য সংস্থাৰ উদ্যোগত আই আই টি কানপুৰত স্বাস্থ্য কৃত্ৰিম বুদ্ধিমত্তাৰ বাবে ডিজিটেল পাৱলিক গুদচৰ বিকাশৰ ওপৰত ফেদাৰেটেদ ইণ্টেলিজেন্স হেকাথন অনুষ্ঠিত কৰে। এই হেকাথন্ ৰাষ্ট্ৰীয় গৱেষণা প্ৰতিষ্ঠান, ডিজিটেল আৰু তথ্য বিজ্ঞানৰ সহযোগত কানপুৰৰ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানে কৃত্ৰিম বুদ্ধিমত্তা ইপপেক্ট সন্মিলন-২০২৬ৰ অংশ হিচাপে অনুষ্ঠিত কৰা হয়। ছদিনীয়া এই অনুষ্ঠান চলিত মাহৰ ১৯ তাৰিখে আৰম্ভ হৈছিল। এই অনুষ্ঠানত নীতি নিৰ্ধাৰক আৰু উদ্ভাৱকসকলক একত্ৰিত কৰি দায়িত্বশীল স্বাস্থ্য কৃত্ৰিম বুদ্ধিমত্তাৰ বিষয় আলোচনা কৰা হয়।

ooooooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। ভাৰতে সম্প্ৰতি এই শৃংখলাত ২-০ৰ অগ্ৰগতি লাভ কৰিছে।

ooooooooo

**সমাপ্ত**